লাচিত বৰফুকন 400 সংখ্যক জন্মজয়ন্তী

লাচিত বৰফুকন 400 সংখ্যক জন্মজয়ন্তী

Name: ABHISHEK KALITA
Occupation: Information Asstt. DDMA, Baksa
Address: Nalbari (Barjar)
District: Nalbari Pin: 781346
Phone No: +91 7002060804
Email: abhishekkalita84@gmail.com
Date of Birth: 06021992 Date of Writing: 17112022

দেশপ্ৰেমিক সাহসী বীৰ লাচিত বৰফুকনৰ জন্ম হয় ১৬২২ চনৰ ২৪ নৱেম্বৰ তাৰিখে আহোম ৰাজধানী, গড়গাঁওত। পিতৃৰ নাম মোমাই তামুলী বৰবৰুৱা আৰু মাতৃৰ নাম নাংেম্বৰী আইদেউ। সৰুৰে পৰা তেওঁ আছিল সাহসী আৰু সংগ্ৰামী। কম বয়সতে সামৰিক বাহিনীত প্ৰৱেশ কৰি নিজকে এজন সুদক্ষ সৈনিক হিচাপে গঢ়ি তোলে।

লাচিত বৰফুকনে ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু কূটনৈতিক জ্ঞান অৰ্জনৰ লগতে অন্যান্য সামৰিক শিক্ষাও গ্ৰহণ কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ ঢুলীয়া বৰুৱা, শিমলুগুৰিয়া ফুকন পদবীৰ লগতে দোলাকাষৰীয়া বৰুৱা হিচাপেও নিযুক্তি লাভ কৰিছিল। দোলাকাষৰীয়া বৰুৱা পদত থকা অৱস্থাত স্বৰ্গদেউ চক্ৰধ্বজ সিংহই তেওঁৰ নিৰ্ভীকতা আৰু সাহসীকতাৰ প্ৰমাণ পাই লাচিত বৰফুকনক আহোম ৰাজ্যত প্ৰধান সেনাপতি আৰু বৰফুকন পদত নিযুক্তি দিয়ে।

১৬৬৭ চনৰ ফেব্ৰুৱাৰী মাহত মোগল সৈন্য বাহিনীয়ে ৰামসিংহৰ নেতৃত্বত অসম আক্ৰমণ কৰিবলৈ অহাত আহোমৰ প্ৰধান সেনাপতি লাচিত বৰফুকনে তেওঁৰ সৈন্য সকলক লগত লৈ মোগলৰ বিৰুদ্ধে যুদ্ধত অৱতীৰ্ণ হয়। মোগলক বাধা দিবলৈ গড় নিৰ্মাণ কাৰ্যত অৱহেলা কৰাৰ বাবে মোমায়েকৰ (মোমাই) গল কাটি ৰাতিটোৰ ভিতৰতে গড় নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰে। এইদৰে তেওঁৰ দেশপ্ৰেম আৰু সাহসীকতাৰ পৰিচয় দাঙি ধৰে।

১৬৭১ চনৰ মাৰ্চ মাহত মোগল আৰু আহোমৰ মাজত তুমুল যুদ্ধ হয়। নাৱিয়া পাইকৰ সৈন্যসকলক লগত লৈ লাচিত বৰফুকনে মোগল সৈন্যৰ বিৰুদ্ধে যুদ্ধ দিয়ে আৰু অৱশেষত মোগল সেনাই পৰাজয় বৰণ কৰে। এই যুদ্ধক শৰাইঘাটৰ যুদ্ধ বুলি অসমৰ ইতিহাসত সোণালী আখৰেৰে জিলিকি আছে। নিজৰ বীৰত্ব আৰু সাহস প্ৰদৰ্শন কৰি শৰাইঘাট যুদ্ধত জয়লাভ কৰা এইজন বীৰ পুৰুষৰ ১৬৭২ চনত মৃত্যু হয়।

লাচিত বৰফুকন এজন মহাপ্ৰতাপী বীৰ আৰু দেশপ্ৰেমিক। তেখেতৰ বীৰত্ব আৰু শৰাইঘাটৰ যুদ্ধত অসম সেনাৰ বিজয়ক স্মৰণ কৰিবলৈ ২৪ নৱেম্বৰ দিনটোত অসমত লাচিত দিৱস হিচাপে পালন কৰা হয়। ২০১৯ চনৰ পৰা ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা একাডেমীয়ে নিৰ্বাচিত প্ৰশিক্ষাৰ্থী ব্যক্তিক প্ৰতিবছৰে লাচিত বৰফুকন সোণৰ পদক প্ৰদান কৰা হয়।

CS Scanned with CamScanner